শিক্ষিত কৰিব পাৰি।

- যুৱ প্ৰজন্মক পৰিয়ালৰ ধাৰণা, গাঁথনি, প্ৰকাৰ আৰু কৰ্ম সম্পৰ্কে শিক্ষা দিয়াৰ লগতে যৌনতা, দায়িত্বশীল অভিভাৱকৰণ আদিৰ শিক্ষা প্ৰদান কৰিবলৈ পাৰিয়াল শিক্ষা আঁচনি প্ৰস্তুত কৰিব লাগে। শিক্ষাৰ জৰিয়তে মহিলা সবলীকৰণৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে মানুহৰ আৰ্থ সামাজিক ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰতো দৃঢ় পদক্ষেপ গ্ৰহণ কৰিব লাগে যিয়ে অৱশেষত মানুহৰ জনসংখ্যা বৃদ্ধিৰ হাৰ ৰোধ কৰাত সহায় কৰিব।



৩.৯ অধিক জানিবলৈ

১) Agarwala, S. N.(1966), *Some Problems of India's Population*, Vara Publishing Co. Bombay

২) Das, B. B. (2011), *Population Explosion- Its Problems and Awareness in Environmental Education*,Edited by S. Das, K. K. Publication. Guwahati

৩) Nanda, S. K. (2002), *Population Education: An Informative Update*, Doaba House, Delhi

৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জনসংখ্যা বিস্ফোৰণৰ অৰ্থ হ'ল এখন দেশৰ মানুহৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধি যিয়ে পৰিবেশৰ জৈৱবৈচিত্ৰিক ভাৰসাম্যতাক বিনাস কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ চীন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অৰণ্য ধ্বংস আৰু কৃষিভূমিৰ বাবে চৰণীয়া পথাৰ, ভূমি অৱক্ষয়, বানপানী, দুৰ্ভিক্ষ, বায়ু, পানী আৰু ভূমি প্ৰদূষণ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃউন্নয়নশীল আৰু অনুন্নত দেশসমূহত জনসংখ্য বৃদ্ধিৰ হাৰ বেছি।এনে দেশসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক দ্ৰুত । জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত এনে দেশসমূহত বিকাশৰ হাৰ আশা কৰাতকৈ কম।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মহিলাৰ উৰ্বৰতা, পুত্ৰ সন্তানৰ প্ৰতি অধিক আগ্ৰহ, মহিলাৰ নিম্ন সামাজিক মৰ্য্যাদা, শিশু শ্ৰমিক, জন্ম আৰু মৃত্যু হাৰৰ মাজত পাথৰ্ক্য, পৰিয়াল পৰিকল্পনাৰ প্ৰতি বেয়া মনোভাৱ, প্ৰবজন ইত্যাদি।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ছাত্ৰ-শিক্ষকৰ অনুপাতৰ বৃহৎ পাৰ্থক্য, অপৰ্য্যাপ্ত শিক্ষক, অপৰ্য্যাপ্ত সহায়কাৰী